# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৩ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। আজি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। ভোটগ্ৰহণৰ বাবে ২৫ হাজাৰ ৭ টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী ভোটদাতাই এই নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নিৰ্বাচনৰ বাবে ১ লাখ ২০ হাজাৰ কৰ্মচাৰী নিয়োগ কৰা হ'ব। অৱশ্যে ষষ্ঠ অনুসূচীৰ এলেকাত এই নিৰ্বাচন নিৰ্বাচন অনুষ্ঠিত নহয়। আঞ্চলিক পঞ্চায়তৰ বাবে প্ৰাৰ্থীৰ সৰ্বাধিক ব্যয় আঢ়ৈ লাখ টকা, জিলা পৰিষদত ১০ লাখ টকা, গাঁও পঞ্চায়তৰ প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী ব্যয় সৰ্বাধিক ব্যয় ২৫ হাজাৰ টকা ধাৰ্য কৰা হৈছে বুলি নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এই নিৰ্বাচনত ই ভি এমৰ পৰিৱৰ্তে বেলট কাগজ ব্যৱহাৰ কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজ্যত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰীয়ে কমাৰবন্ধা আলিৰ উত্তৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ সমীপৰ পৰা মিচন হস্পিটেলৰ প্ৰৱেশদ্বাৰৰ সমীপলৈ নিৰ্মাণ হোৱা ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ ৰে'লৰে উৰণ সেতুখন মুকলি কৰে। ৰাজ্য চৰকাৰ আৰু ভাৰতীয় ৰে'লৰেৰ অংশীদাৰিত্বত ৭৭ কোটি ২৭ লাখ টকা ব্যয়েৰে উৰণ সেঁতুখন নিৰ্মাণ কৰা হৈছে। ড° শৰ্মাই আজি যোৰহাটত অত্যাধুনিক সা-সঁজুলি সম্পন্ন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰটো মুকলি কৰে। এই প্ৰকল্পৰ বাবে ১২ কোটি ৫০ লাখ টকা ব্যয় কৰা হৈছে। এই কেন্দ্ৰটোৱে যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ জনসাধাৰণক সেৱা প্ৰদান কৰিব। ইয়াৰ দ্বাৰা যান-বাহনৰ মেনুৱেল ফিটনেছ পৰীক্ষাৰ পৰিৱৰ্তে স্বয়ংক্ৰিয় পৰীক্ষা কাৰ্যকৰী হ'ব। ইয়াৰ ফলত যান-বাহনৰ গৰাকীয়ে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ গৈ বাহন পৰীক্ষা কৰোৱাৰ আৱশ্যকতা নাথাকিব। যোৱা ৩১ মাৰ্চত মুখ্যমন্ত্ৰীয়ে বিশ্বনাথত ১৫ কোটি ৫৭ লাখ টকা ব্যয়সাপেক্ষ এনেধৰণৰ কেন্দ্ৰ এটা মুকলি কৰিছে। যোৰহাটৰ চিনামৰাত মুখ্যমন্ত্ৰীয়ে ১৯ কোটি ৯৮ লাখ টকা ব্যয়েৰে ৰাজ্য চৰকাৰে নিৰ্মাণ কাৰ সন্মিলন কক্ষটো

উদ্বোধন কৰে। ১২০ খন আসনযুক্ত এই কেন্দ্ৰটো মুকলি কৰাৰ ফলত যোৰহাটবাসীয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজনত সুবিধা লাভ কৰিব। ৩ হাজাৰ ১১৮ বৰ্গ কিলোমিটাৰ ভূমি সামৰি নিৰ্মিত এই কেন্দ্ৰটোত এটা কাৰ্যবাহী কক্ষ, এটা মিডিয়া কক্ষ, এটা ভোজন কক্ষকে ধৰি ভালেমান সুবিধা ৰখা হৈছে। এই সন্মিলন কক্ষ মুকলি কৰি মুখ্যমন্ত্ৰীয়ে প্ৰায় ১৮০ কোটি টকা ব্যয়েৰে নিৰ্মীয়মান স্বাধীনতা সংগ্ৰামৰ সংগ্ৰহালয় আৰু উদ্যানৰ কাম অহা বছৰৰ জানুৱাৰীত সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰে।

**-বাইট-**

তদুপৰি ভোগদৈ দলং সংযোগী উৰণ সেতুৰ নিৰ্মাণৰ কামো অহা বছৰৰ মাৰ্চৰ আগেয়ে সম্পূৰ্ণ হৈ উঠিব বুলি তেওঁ কয়। যোৰহাট আৰু গোলাঘাট জিলা সামৰি ৰূপায়ণ কৰা কেইবাটাও প্ৰকল্প সম্পূৰ্ণ হোৱা পথত আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নগাঁও, বিশ্বনাথ, শোণিতপুৰ আৰু যোৰহাট জিলা ভ্ৰমণ সামৰি গুৱাহাটীলৈ ওভতা মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৫৬ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষ কল্যাণমূলক প্ৰকল্প ৰাইজলৈ উৎসৰ্গা কৰা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

লখিমপুৰ জিলা পৰজা সমাজ, পৰজা জনজাতীয় গৱেষণা কেন্দ্ৰ, সমূহ আঞ্চলিক সমাজ সমিতিৰ উদ্যোগত আৰু জহিং আঞ্চলিক সমিতিৰ সহযোগত কয়লামাৰী চাহ বাগিচাত আজি পৰজা সমাজৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত পতাকা উত্তোলন, মাংগলিক অনুষ্ঠান, পৰজা ভাষা-সংস্কৃতিৰ সুৰক্ষা সন্দৰ্ভত আলোচনা আদি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখযোগ্য যে যোৱা শতিকাৰ আশীৰ দশকত পৰজাসকলক একত্ৰিত কৰি অসম পৰজা সম্প্ৰদায় সমিতি নামেৰে এই সমিতিখন গঠন কৰা হৈছিল। ২০২৬ বৰ্ষত এই সমিতিৰ জিলা অধিৱেশন আৰু প্ৰতিষ্ঠা দিৱস ক্ৰমে বালিজান আৰু ডিজু আঞ্চলিক সমিতিৰ সহযোগত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

ৰাজ্যৰ ১১ খন জিলাৰ ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত আজি মিছিং ভাষাত পাঠদান আৰম্ভ হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ধেমাজিৰ ৰায়চাপৰি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মিছিং সাহিত্য সভাই এই ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়। উল্লেখযোগ্য যে চৰকাৰে মিছিং, তিৱা, দেউৰী, ৰাভা, ডিমাছা আৰু কাৰ্বিকে ধৰি ছটা জনগোষ্ঠীয় ভাষাত প্ৰাথমিক পৰ্যায়ত পাঠদানৰ সিদ্ধান্ত লৈছে। মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ এই পদক্ষেপৰ ফলত সকলো স্থানীয় ভাষা উজ্জীৱিত হ'ব বুলি আশা ব্যক্ত কৰে।

০০০০০

সমাপ্ত